79N

[19-HRPGKOW-M3S(N) 20M]

MA 3rd Semester (New) Exam., 2019 (W)

ASSAMESE

[PGAS S3–01]

(সাহিত্য সমালোচনা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ প্ৰশ্নসমূহৰ চমুকৈ উত্তৰ লিখক : 1×8=8

(i) বিভাব মূলতঃ কেইবিধ আৰু কি কি ?

(ii) আনন্দবৰ্ধনৰ কোনখন গ্ৰন্থত ধ্বনি সম্পৰ্কে যুক্তিনিৰ্ভৰ আলোচনা পোৱা যায় ?

(iii) আচাৰ্য ভামহে আগবঢ়োৱা বক্ৰোক্তিৰ সংজ্ঞাটো উল্লেখ কৰক ।

(iv) *Nativism in Literature* গ্ৰন্থখনৰ লেখক কোন ?

(v) "কবিতা হ'ল সংগীতময় চিন্তা ।" (Poetry is musical thought.)—কাৰ উক্তি ?

(vi) বীণা বৰুৱা ছদ্মনামেৰে বিখ্যাত হোৱা অসমীয়া ঔপন্যাসিকগৰাকীৰ প্ৰকৃত নাম কি ?

(vii) জীৱনী আৰু আত্মজীৱনীৰ মৌলিক পাৰ্থক্য ক'ত ?

(viii) ইংৰাজী সমালোচনা সাহিত্যৰ পিতৃপুৰুষ হিচাপে কাক আখ্যা দিয়া হয় ?

(b) তলৰ প্ৰতিটো প্ৰশ্নৰ বিপৰীতে থকা চাৰিটা বিকল্পৰ পৰা শুদ্ধ উত্তৰটো বিচাৰি উলিয়াওক : 1×4=4

(i) 'ৰীতিবাদ'ৰ প্ৰৱৰ্তকগৰাকী হ'ল

1. ভৰত মুনি
2. আচাৰ্য বামন
3. আচাৰ্য ভামহ
4. এৰিষ্টটল

(ii) অলংকাৰক প্ৰধানকৈ কেইটা ভাগত ভগাব পাৰি ?

1. দুটা
2. তিনিটা
3. চাৰিটা
4. পাঁচটা

(iii) ৰঘুনাথ চৌধাৰী হৈছে মূলতঃ এগৰাকী

1. দাৰ্শনিক কবি
2. ভক্তি কবি
3. প্ৰকৃতি কবি
4. ছনেট কবি

(iv) 'জীৱনৰ দীঘ আৰু বাণী' কাৰ আত্মজীৱনী ?

1. লক্ষ্মীনাথ বেজবৰুৱা
2. কৃষ্ণকান্ত সন্দিকৈ
3. বেণুধৰ শৰ্মা
4. মহেশ্বৰ নেওগ

(c) উপযুক্ত শব্দৰে খালী ঠাঁই পূৰ কৰক : 1×4=4

(i) বিশ্বনাথ কবিৰাজৰ মতে '_____ কাব্যম্' ।

(ii) ''কলঙ-কপিলী দিজুৰ পাৰত _____ হাড় বুঢ়ী আইতাৰ কলিজাৰে গজে বন নহৰুৰ ফুল ।''

(iii) এৰিষ্টটলে _____ গ্ৰন্থত নাটক সম্পৰ্কে বিস্তৃত আলোচনা লিপিবদ্ধ কৰিছে ।

(iv) দাদাবাদৰ 'দাদ' শব্দটো _____ ভাষাৰ শব্দ ।

2. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) ওজঃ গুণ বুলিলে কি বুজে, চমুকৈ লিখক।

(b) অলংকাৰ কাক বোলে?

(c) ছনেট কবিতাৰ মূল বৈশিষ্ট্যসমূহ কি কি?

(d) উপন্যাসৰ শিথিল কাহিনী মানে কি?

(e) প্ৰাচ্যতাত্ত্বিকসকলে নাটকৰ স্বৰূপ কেনেদৰে নিৰ্ণয় কৰিছে?

(f) পৰম্পৰাগত ধাৰণা অনুসৰি সমালোচনাই মূলতঃ কি কি তিনিটা কাৰ্য সাধন কৰে?

3. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) 'বক্ৰোক্তিজীৱিতম্' গ্ৰন্থখনৰ বিষয়ে এটি পৰিচয়মূলক টোকা প্ৰস্তুত কৰক।

(b) ভাৰতীয় অলংকাৰ শাস্ত্ৰত গুণৰ স্থান নিৰূপণ কৰি এটি চমু আলোচনা যুগুত কৰক।

(c) ''কলাকুশলতা আৰু সুখপাঠ্যতা নতুন জীৱনীৰ বিশেষ লক্ষণ।'' ব্যাখ্যা কৰক।

(d) 'শোকগীতি' বুলিলে কি বুজে, লিখক।

(e) কবিতাৰ প্ৰতীক আৰু চিত্ৰকল্প সম্পৰ্কে চমুকৈ লিখক।

4. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) দেশীবাদী চিন্তাৰ দ্বাৰা প্ৰভাৱিত হৈ লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া জাতীয়তাবোধ গঢ়ি তুলিবৰ বাবে কেনেধৰণৰ পদক্ষেপ লৈছিল, আলোচনা কৰক।

(b) ধ্বনিৰ স্বৰূপ সম্পৰ্কে এটি ব্যাখ্যা আগবঢ়াওক।

(c) আধুনিক উপন্যাসৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি প্ৰবন্ধ যুগুত কৰক।

(d) ট্ৰেজেডী আৰু কমেডী নাটকৰ এটি তুলনামূলক আলোচনা দাঙি ধৰক।

5. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) ৰস কাক বোলে ? কাব্যত ব্যৱহাৰ হোৱা বিবিধ ৰসৰ বিষয়ে এটি সামগ্ৰিক আলোচনা দাঙি ধৰক।

(b) চুটিগল্পৰ এটা সৰ্বগ্ৰহণযোগ্য সংজ্ঞা নিৰ্ধাৰণ কৰি ইয়াৰ উপাদানসমূহৰ বিষয়ে বহলাই লিখক।

(c) সমালোচনা সাহিত্যিক সৃষ্টিশীল ৰচনা বুলি অভিহিত কৰিব পাৰিনে ? এই সম্পৰ্কত আপোনাৰ অভিমত ব্যক্ত কৰি সমালোচনা আৰু সমালোচক সম্পৰ্কে বহলাই আলোচনা কৰক।

(d) আধুনিকতাবাদ নাইবা উত্তৰ-আধুনিকতাবাদ—যি কোনো এটা বিষয় লৈ এটি বিশ্লেষণাত্মক আলোচনা যুগুত কৰক।

★★★